# নগাঁও ক্ৰীড়া সংস্থা

## ।। ২০২৪-২০২৫ বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভা ।।

**সময় ঃ বিয়লি ৫ বজা**      **তাং- ইং ২৩/০৭/২০২৫**

আজি ইং ২৩/১২/২০২৫ তাৰিখ বুধবাৰে বিয়লি ৫ বজাত নগাঁও ক্ৰীড়া সংস্থাৰ আন্তঃদ্বাৰ ক্ৰীড়াংগন সভাকক্ষত নগাঁও ক্ৰীড়া সংস্থাৰ ২০২৪-২০২৫ বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভাখন ক্ৰীড়া সংস্থাৰ সভাপতি শ্ৰীযুত ৰূপক শৰ্মাদেৱৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক শ্ৰীতপন কুমাৰ দাসদেৱে।

সভাৰ প্ৰাৰম্ভণিতে সভাপতি মহোদয়ৰ নিৰ্দেশক্ৰমে সভাত উপস্থিত থকা নগাঁও ক্ৰীড়া সংস্থাৰ পঞ্জীয়নভূক্ত ক্লাৱসমূহৰ সদস্যসকলৰ পৰিচয় পৰ্ব গ্ৰহণ কৰা হয়।

**১ নং প্ৰস্তাৱ ঃ** - আজিৰ সভাত প্ৰয়াত ভাৰতবৰ্ষ তথা অসমৰ ক্ৰীড়াবিদ, সাহিত্যিক, ক্ৰীড়া সংগঠক, গুনী-জ্ঞানীব্যক্তিসকলৰ আত্মাৰ সদ্‌গতিৰ কাৰণে চিৰশান্তিৰ বাবে শোক প্ৰস্তাৱ গ্ৰহণ কৰি এক মিনিট মৌণ প্ৰাৰ্থনা কৰা হয়। সভাত উপস্থিত সঞ্জীৱন সমাজৰ সদস্য শ্ৰীপ্লাৱন বৰুৱাদেৱে বিশিষ্ট ক্ৰীড়া সংগঠক তথা নগাঁও ক্ৰীড়া সংস্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক স্বৰ্গীয় আলিমুজ জামান চাৰৰ স্মৃতিত নগাঁও ক্ৰীড়া সংস্থাই এটি বিশেষ অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ সভাত পৰামৰ্শ আগবঢ়ায়।

**২ নং প্ৰস্তাৱ ঃ** - সাধাৰণ সম্পাদক শ্ৰীতপন কুমাৰ দাসদেৱে ২০২৩-২০২৪ বৰ্ষৰ নগাঁও ক্ৰীড়া সংস্থাৰ কাৰ্য্যবিৱৰণীৰ প্ৰতিলিপি সদস্যসকললৈ ইতিমধ্যে প্ৰেৰণ কৰা হৈছে। উক্ত প্ৰতিবেদনত যদি কোনো আসোৱাহ থাকে তেনেহলে উপস্থিত সদস্যসকলে শুধৰণি আনি মতামত দিবলৈ সভাপতি মহোদয়ে অনুৰোধ কৰে। লগতে উক্ত কাৰ্য্যবিৱৰণীখনি সকলোৱে পৰামৰ্শমতে সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়।

**৩ নং প্ৰস্তাৱ ঃ** - সাধাৰণ সম্পাদক শ্ৰীতপন কুমাৰ দাসদেৱে ২০২৪-২০২৫ বৰ্ষৰ নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ প্ৰতিলিপি সদস্যসকললৈ ইতিমধ্যে প্ৰেৰণ কৰা হৈছে। উক্ত প্ৰতিবেদনত যদি কোনো বিষয়বস্তু সন্নিবিষ্ট হোৱা নাই তেনেহলে উপস্থিত সদস্যসকলে উক্ত বিষয়বস্তুৰ বিষয়সমূহ সন্নিবিষ্ট কৰি সাধাৰণ সম্পাদকৰ প্ৰতিবেদন সদনে সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়।

**৪ নং প্ৰস্তাৱ ঃ** - সভাত প্ৰৱাহ গোষ্ঠীৰ প্ৰতিনিধি সদস্য শ্ৰীযুত কনক কছাৰী ডাঙৰীয়াই খেল পথাৰৰ উন্নতিৰ কাৰণে এথলেটিক্‌ছ শাখাৰ ট্ৰেক, চ্যুইমিং পুল যাতে খেলুৱৈ সকলে নিয়মীয়া অনুশীলন কৰিব পাৰে তাৰ প্ৰতি গুৰুত্ব দিবলৈ সভাত মতামত দাঙি ধৰে।

**৫ নং প্ৰস্তাৱ ঃ** - নগাঁও ক্ৰীড়া সংস্থাৰ বাহিৰেও আজিৰ সভাত সাধাৰণ সম্পাদক শ্ৰীতপন কুমাৰ দাসদেৱে ডচন হাইস্কুল খেলপথাৰ উন্নতি তথা নিৰ্মাণকাৰ্য্য নগাঁও ক্ৰীড়া সংস্থাৰ নতুনকৈ সজাই তুলা ইনডৰ ষ্টেডিয়াম, চ্যুইমিং পুলৰ সম্প্ৰসাৰণ আৰু নিৰ্মাণকাৰ্য্য সংস্থাৰ সভাপতি মহোদয়ৰ নেতৃত্বত সম্ভৱ হৈছে বুলি সভাত অৱগত কৰে।

**৬ নং প্ৰস্তাৱ ঃ** - আজিৰ সভাত শ্ৰীকনক কছাৰী ডাঙৰীয়াই ৪ ৰ্থ ডিভিজন ফুটবল লীগৰ ক্ষেত্ৰত স্থানীয় মহকুমাৰ খেলুৱৈ কিমানজনে অংশগ্ৰহণ কৰিলে বুলি জানিব বিচাৰে। ফুটবল শাখাৰ সম্পাদক শ্ৰীযুত প্ৰান্তৰ ভট্টাচাৰ্য্যদেৱে কছাৰীদেৱৰ প্ৰশ্নৰ উত্তৰ ৩ (তিনি) জন খেলুৱৈ মুল তালিকাত অন্তৰ্ভূক্ত কৰাতো বাধ্যতামূলক বুলি উল্লেখ কৰে।

ক্ৰমশঃ২

**৭ নং প্ৰস্তাৱ ঃ** - সভাত উদয় সংঘৰ সম্পাদক ডাঙৰীয়াই হকী খেলৰ উন্নতিৰ কাৰণে এখন উন্নত মানদণ্ডৰ এষ্ট্ৰ ট্ৰাফ খেলপথাৰ প্ৰয়োজন হৈছে। গতিকে অনতি পলমে এখন হকীৰ খেলপথাৰ প্ৰস্তুত কৰিবলৈ সভাত পৰামৰ্শ দাঙি ধৰে।

**৮ নং প্ৰস্তাৱ ঃ** - ৰাজস্থানী যুৱক সংঘৰ প্ৰতিনিধি শ্ৰীৰমেশ আগৰৱালাদেৱে কয় যে, আন্তঃজিলা মিনি, চাব-জুনিয়ৰ, জুনিয়ৰ, চিনিয়ৰ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হোৱা নাই বুলি সভাত জানিব বিচাৰে। বিষয়টোৰ ওপৰত ফুটবল শাখা সম্পাদক শ্ৰীযুত প্ৰান্তৰ ভট্টাচাৰ্য্যদেৱে সভাত অৱগত কৰে যে, অসম ফুটবল সংস্থাই আন্তঃজিলা ফুটবল প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হোৱা নাই বুলি সভাত জনাই দিয়ে। লগতে অসম দলত অন্তৰ্ভূক্তিৰ কাৰণে যি বাছনি অনুষ্ঠিত কৰে তাত আমাৰ ল'ৰাই যোগদান কৰে।

**৯ নং প্ৰস্তাৱ ঃ** - ৰেডিয়েল ক্লাবৰ সদস্য শ্ৰীযুত জাকিৰ হুছেইন ডাঙৰীয়াই খেলুৱৈৰ C.R.S ৰ বিষয়ে জানিব বিচাৰে। হুছেইদেৱৰ C.R.S ৰ বিষয়ে ক্ৰীড়া সংস্থাৰ যুটীয়া সম্পাদক শ্ৰীউজ্জল বৰুৱা আৰু ক্ৰিকেট শাখাৰ সম্পাদক শ্ৰীমৃণাল কুমাৰ হাজৰিকাদেৱে সভাত অৱগত কৰে যে, পূৰ্বৰ আন্তঃজিলা খেলুৱৈৰ দল-সলনি বা ৰাজ্যিক দল-সলনি আদি নিয়ম সংশোধন কৰি বৰ্তমান C.R.S নিয়ম সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনে বলবৎ কৰিছে। গতিকে প্ৰত্যেক ফুটবল খেলুৱৈৰ C.R.S থাকিলেহে যিকোনো দলত খেলুৱৈজনে অংশগ্ৰহণ কৰিব পাৰিব বুলি বুজাই দিয়ে।

**১০ নং প্ৰস্তাৱ ঃ** - যিহেতু সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনে ফুটবলৰ নতুন নিয়মাৱলী যুগুট কৰিছে - সভাত সভাপতি মহোদয়ে C.R.S ৰ বিষয়ে আলোচনা সন্দৰ্ভত পৰামৰ্শ দিয়ে যে, ক্লাব সমূহৰ সহায়ৰ কাৰণে এখন উপ-সমিতি গঠন কৰি দিয়া হয়। উপ-সমিতিখনত পৰামৰ্শৰ বাবে শ্ৰীকনক কছাৰীদেৱক অধ্যক্ষ, ফুটবল শাখাৰ সম্পাদক শ্ৰীপ্ৰান্তৰ ভট্টাচাৰ্য্যদেৱক আহ্বায়ক, শ্ৰীপ্লাবন বৰুৱা, শ্ৰীজাকিৰ হুছেইন, শ্ৰীউজ্জল বৰুৱা আৰু শ্ৰীদিব্যজ্যোতি শৰ্ম্মাদেৱক সদস্য হিচাপে সভাই দায়িত্ব অৰ্পন কৰে।

**১১ নং প্ৰস্তাৱ ঃ** - আজিৰ সভাত ৰেডিয়েল ক্লাবৰ প্ৰতিনিধি শ্ৰীপ্ৰিয়াংকু শৰ্ম্মাদেৱে তেওঁলোকৰ ক্লাবে পোৱা C.R.S ৰ সুবিধা-অসুবিধাৰ বিষয়ে সভাত প্ৰশ্ন কৰে। শ্ৰীদিব্যজ্যোতি শৰ্ম্মাদেৱে কয় যে, C.R.S ৰ কাৰণে শুদ্ধ নথি-পত্ৰ দিলেহে C.R.S শুদ্ধ হিচাপে সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনে গ্ৰহণ কৰিব।

**১২ নং প্ৰস্তাৱ ঃ** - যোৱা ২০২৩-২০২৪ বৰ্ষত অনুষ্ঠিত হোৱা দ্বিতীয় ডিভিজন ফুটবল লীগত শাইন্স প্লেয়াৰ্ছ আৰু নগাঁও চুপাৰ ষ্ট্ৰাইকাৰ্ছ দলৰ মাজত হোৱা খেলখনত অভিযোগৰ বিষয়ে শ্ৰীযুত কনক কছাৰীদেৱে প্ৰশ্ন আগবঢ়ায়। ফুটবল শাখাৰ সম্পাদক শ্ৰীপ্ৰান্তৰ ভট্টাচাৰ্য্যদেৱে খেলখন সমাধানৰ কাৰণে ফুটবল লীগ চাব-কমিটিয়ে দিয়া সিদ্ধান্ত বিতংকৈ দিয়ে। উক্ত খেলখনত খেলুৱৈসকলে দিয়া প্ৰমাণ পত্ৰ প্ৰদান কৰাত শ্ৰীপ্লাবন বৰুৱাদেৱে আচাৰ্য্য প্ৰকাশ কৰে।

**১৩ নং প্ৰস্তাৱ ঃ** - সাধাৰণ সম্পাদক শ্ৰীতপন কুমাৰ দাসদেৱে ভূৱা-প্ৰমাণ পত্ৰৰ সংক্ৰান্তত কয় যে, যিখন বিদ্যালয়ৰ পৰা খেলুৱৈসকলে প্ৰমাণ পত্ৰ সংগ্ৰহ কৰিছিল আমাৰ ফালৰ পৰা সেই বিদ্যালয়ৰ প্ৰধান শিক্ষকক যোগাযোগ কৰাত প্ৰধান শিক্ষকে আমাক জনোৱা মতে তেওঁলোকে দাখিল কৰা প্ৰমাণ-পত্ৰ ভূৱা বুলি কোৱা গৈছে।

**১৪ নং প্ৰস্তাৱ ঃ** - আজিৰ সভাত সভাপতি মহোদয়ে সভাত অৱগত কৰে যে, অসমত বাস কৰা খেলুৱৈসকল স্থানীয় খেলুৱৈ হিচাপে স্বীকৃতি লাভ কৰিছে। গতিকে এই বছৰ কোনোটো দলকে দ্বিতীয় ডিভিজনৰ পৰা অৱনমিত কৰিব নালাগে। অহা ২০২৫-২০২৬ দ্বিতীয় ডিভিজন ফুটবল লীগৰ পৰা দুটা দল অৱনমিত কৰা হ'ব বুলি প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

ক্ৰমশঃ ৩

**১৫ নং প্ৰস্তাৱ ঃ -** আজিৰ বাৰ্ষিক সাধাৰণ সভাতেই সভাপতি মহোদয়ে কোষাধ্যক্ষ শ্ৰীযুত অসীম কুমাৰ ভাৰালদেৱে ২০২৪-২০২৫ বৰ্ষৰ নগাঁও ক্ৰীড়া সংস্থাৰ আয়-ব্যয়ৰ হিচাৰৰ খতিয়ান মাননীয় সদস্যসকলৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা সম্পৰ্কে আলোচনা কৰি পৰামৰ্শ আগবঢ়াবলৈ অনুৰোধ কৰে। কোষাধ্যক্ষই দাখিল কৰা আয়-ব্যয়ৰ হিচাৰৰ খতিয়ান সদনত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়।

**১৬ নং প্ৰস্তাৱ ঃ -** সভাপতি মহোদয়ৰ নিৰ্দেশমৰ্মে সাধাৰণ সম্পাদক শ্ৰীতপন কুমাৰ দাসদেৱে চতুৰ্থ ডিভিজনত পঞ্জীয়নৰ বাবে নতুন ক্লাবে দিয়া (দাখিল কৰা) নথি-পত্ৰৰ সম্পৰ্কে সভাত অৱগত কৰে। সভাই উক্ত নতুন পাঁচটা ক্লাবক চতুৰ্থ ডিভিজনৰ কোৱালিফাইঙৰ বাবে পঞ্জীয়নৰ বাবে অনুমোদন জনায়।

**১৭ নং প্ৰস্তাৱ ঃ -** সভাত ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ প্ৰতিনিধি শ্ৰীআলোক গোস্বামীদেৱে খেল সম্পৰ্কে আলোচনা কৰোঁতে পৰামৰ্শ আগবঢ়াই যে - উঠি অহা নৱ-প্ৰজন্মৰ খেলৰ উন্নতিৰ কাৰণে নগাঁও জিলাৰ বিদ্যালয়সমূহৰ প্ৰধান সকলৰ লগত আলোচনা কৰি নতুন খেলুৱৈ সৃষ্টি কৰা। এই উদ্যোগ নগাঁও ক্ৰীড়া সংস্থাই মুখ্য ভূমিকা গ্ৰহণ কৰিব লাগিব। লগতে সদস্য শ্ৰীজয়ন্ত বৰাদেৱে বড়মপুৰ ক্ৰীড়া সংস্থাৰ স্থিতিৰ বিষয়ে জানিব বিচাৰে। শ্ৰীশ্যামন্ত দাসদেৱেও উৰিয়াগাঁও খেলপথাৰ খনৰ উন্নতি কামনা কৰে।

**১৮ নং প্ৰস্তাৱ ঃ -** সভাত ৰেডিয়েল ক্লাবৰ প্ৰতিনিধি শ্ৰীপ্ৰিয়াংকু শৰ্ম্মাদেৱে নগাঁও ক্ৰীড়া সংস্থাৰ সংবিধান সম্পৰ্কে মতামত দাঙি ধৰে। সভাত সদস্যসকলে আগবঢ়োৱা সংবিধান সংশোধনী আনি সকলো খেলক সমান প্ৰাধান্য হিচাপে লৈ আগন্তিক দিনত ক্ৰীড়াত অধিক উন্নত পাৰদৰ্শিতা দেখোৱাব পৰা যায় তাৰ প্ৰতি লক্ষ্য ৰাখি সংবিধানখন সংশোধনী আনি পূৰ্ণাংগ ৰূপ দিবৰ বাবে পৰামৰ্শ আগবঢ়ায়। সভাপতি মহোদয়ে উক্ত পৰামৰ্শসমূহ আগন্তুক কাৰ্য্যনিৰ্বাহকত আলোচনা কৰি সকলো ক্লাবৰ পৰা পৰামৰ্শ বিচাৰি সংবিধান সংশোধনী বিষয়টো আগবঢ়োৱা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে।

**১৯ নং প্ৰস্তাৱ ঃ -** ক্লাব প্ৰতিনিধি শ্ৰীপ্ৰমোদ বৰা ডাঙৰীয়াই কয় যে, খেলুৱৈসকলৰ স্বাস্থ্যৰ উন্নতিৰ কাৰণে শাৰিৰীক ব্যায়ামৰ দৰকাৰ। গতিকে খেলুৱৈসকলক শাৰিৰীক ব্যায়ামৰ ব্যৱস্থা কৰাৰ বাবে মত পোষন কৰে।

**২০ নং প্ৰস্তাৱ ঃ -** আজিৰ সভাত সভাপতি শ্ৰীযুত ৰূপক শৰ্মাদেৱে সভাত উপস্থিত সকলো ক্লাবৰ সদস্যসকলক ধন্যবাদ দি কয় যে, নগাঁও ক্ৰীড়া সংস্থাত সকলো খেল অন্তৰ্ভূক্ত নহয়। যেনে - বক্সিং, টাইকোৱাণ্ডো, কাৰাটে আদি খেল। এইবোৰ খেলত নগাঁও ক্ৰীড়া সংস্থা হস্তক্ষেপ কৰা নহয়। গৰু ফিল্ডৰ উন্নতিৰ কাৰণে বিদেশ মন্ত্ৰী শ্ৰীযুত পবিত্ৰ মাৰ্ঘেৰিটাই সাহাৰ্য্য আগবঢ়াইছে কাৰণে উক্ত ফিল্ডখনৰ নিৰ্মাণকাৰ্য্য উন্নতি হৈছে। নগাঁও ক্ৰীড়া সংস্থাত আন্তঃদ্বাৰ খেলৰ দৰে ভলীবল, বাস্কেটবল খেলৰ নতুনকৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ক্ৰিকেট খেলৰ উন্নতিৰ কাৰণে নগাঁৱৰ কাছমাৰীত এখন নতুন ক্ৰিকেট ষ্টেডিয়ামত নিৰ্মাণ কৰাৰ যো-জা কৰা হৈছে। অসম লোক-নিৰ্মাণ বিভাগ নগাঁৱৰ পৰা আনুমানিক ৫০ কোটি টকা টকাৰ এটি আটকধুনীয়া ষ্টেডিয়ামৰ মাষ্টাৰ প্লেন তৈয়াৰী কৰা হৈছে। ইতিমধ্যে উক্ত নথিপত্ৰসমূহ বিধায়ক শ্ৰীৰূপক শৰ্মা ডাঙৰীয়াই মুখ্যমন্ত্ৰীৰ লগত আলোচনা চলি থকা বুলি সদনত অৱগত কৰে। নগাঁও জিলাৰ বিদ্যালয়সমূহৰ মাজত বিভিন্ন খেলা-ধূলাৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ মত পোষন কৰে। নগাঁৱত এথলেটিক্‌ছ আৰু ফুটবল খেলৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান কৰিব লাগে বুলি ব্যক্ত কৰে। হৈ যোৱা স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাত হোৱা আয়-ব্যয়ৰ হিচাব সদনত দাখিল কৰি সকলো খৰচৰ বিষয়বস্তু অৱগত কৰা হয় আৰু সদনে সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। এইবাৰ নগাঁও ক্ৰীড়া সংস্থাই ১৫১ খন দোকানৰ অনাদায় হৈ থকা ভাড়াৰ বাবদ নগদ ৪ লাখ ৪৫ হাজাৰ টকা আদায় পোৱা হয়। যদি কোনো দোকানীৰ মালিকীস্বত্ব হস্তান্তৰ কৰিবলগীয়া হয় তেন্তে তেওঁলোকে নগাঁও ক্ৰীড়া সংস্থাৰ নিৰ্ধাৰন কৰি দিয়া Good Will Money ৰ আগত আদায় দিব লাগিব আৰু তাৰ পিচতহে পৰৱৰ্তী কাম-কাজখিনি কৰিব পাৰিব বুলি সদনে পৰামৰ্শ আগবঢ়ায়। উপযুক্ত প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদানৰ দ্বাৰা খেলৰ পৰিবেশ থকা অঞ্চলত একাডেমী খুলি প্ৰশিক্ষণৰ ব্যৱস্থা কৰি থকা হৈছে। নতুনকৈ জিমনাষ্টিক্‌ছ, হকী, বেডমিন্টন, এথলেটিক্‌ছ খেলৰ বাবে উন্নত প্ৰশিক্ষণৰ বাবে উন্নত মানৰ প্ৰশিক্ষকৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ প্ৰতিনিধি সদস্য শ্ৰীজয়ন্ত কুমাৰ বৰাদেৱে সভাপতি মহোদয়ৰ খেলুৱৈৰ বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা হাতত লোৱাৰ বাবে বহু ভাল ভাল খেলুৱৈ সৃষ্টি হোৱা দেখা গৈছে। এই বলিষ্ঠ পদক্ষেপত ধন্যবাদ জ্ঞাপন কৰে।

ক্ৰমশঃ ৪

**২১ নং প্ৰস্তাৱ ঃ** - আজিৰ সভাত যুটীয়া সম্পাদক শ্ৰীউজ্জল বৰুৱাদেৱে অনুৰোধ কৰে যে, যিহেতু ডঃ দূৰ্লভ চমুৱাদেৱে আজি আমাৰ মাজত থাকি আমাক উৎসাহিত কৰিছে। গতিকে তেখেতে আমাৰ খেলুৱৈসকল কিবা কাৰণত আহত হয় তেখেতে উন্নত চিকিৎসা প্ৰদান কৰাৰ দায়িত্ব অৰ্পন হওক বুলি মত পোষন কৰে।

**২২ নং প্ৰস্তাৱ ঃ** - আজিৰ সভাতেই সাধাৰণ সম্পাদক শ্ৰীতপন কুমাৰ দাসদেৱে সভাত অৱগত কৰে যে, বৰ্তমান নগাঁও ক্ৰীড়া সংস্থাই প্ৰায় ৩১ লাখ টকাৰ পূৰ্বৰ দেওনা পৰিশোধ কৰি বৰ্তমানে মাৰ্চ মাহৰ বেংকৰ হিচাৱমতে ৫৩ লাখ ৮০ হাজাৰ টকা বেংক বেলেঞ্চ ৰাখিবলৈ সমৰ্থ হৈছো। লগতে প্ৰায় ১৫ লাখ টকা মানৰ ন-বিধ খেলৰ ক্ৰীড়া সামগ্ৰী বিভিন্ন শাখাৰ বাবে ক্ৰয় কৰা হৈছে। সম্পূৰ্ণ অৰ্থ আমাৰ ক্ৰীড়া সংস্থাৰ ফালৰ পৰা ব্যয় কৰাৰ লগতে বহুদিনীয়া ক্ৰিকেট কংক্ৰিত পিচৰ অভাবো আমি দূৰ কৰিবলৈ সক্ষম হৈছো। উল্লেখ্য যে এইবাৰ মূল তিনিখন ক্ৰিকেট পিচ্ছ সুন্দৰ পৰিপাটীকৈ বনাই ওলোৱা হৈছে। এই সমিতিখনে পোন প্ৰথমবাৰৰ বাবে ক্ৰীড়া সংস্থাৰ অন্তৰ্গত পঞ্জীয়নভূক্ত সকলো ক্লাবসমূহক ফুটবল আৰু জাৰ্চি চেট প্ৰদান কৰাৰ এক ঐতিহাসিক সিদ্ধান্ত লোৱাৰ বাবে সদনে এই কাৰ্য্যত পূৰ্ণ সমৰ্থন আগবঢ়ায়। লগতে ক্ৰীড়া ক্ষেত্ৰখন আৰু বহু আগুৱাই যাবলৈ পৰামৰ্শ প্ৰদান কৰে। ইয়াৰ উপৰিও আগন্তুক ৭৭ তম স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাখনি নগাঁও ক্ৰীড়া সংস্থাৰ নিকতৱৰ্তী ৰাইদঙীয়া, চাপৰমুখ আৰু কপাহাৰাৰ লগতে আন কোনো উপযুক্ত স্থানত খেলসমূহ অনুষ্ঠিত কৰিবলৈ মতপোষন কৰে।

**২৩ নং প্ৰস্তাৱ ঃ** - আজিৰ সভাত ক্ৰীড়া সংস্থাৰ বিভিন্ন শাখাৰ উপ-সমিতিসমূহ গঠন কৰিবলৈ সভাপতি ও সম্পাদকৰ আজিৰ সভাই দায়িত্ব অৰ্পন কৰা হয়।

**২৪ নং প্ৰস্তাৱ ঃ** - কাৰ্য্যসূচীৰ অন্যান্য শিতানত যুথ ক্লাবৰ সম্পাদক শ্ৰীশ্যামন্ত দাসদেৱে পৰামৰ্শ আগবঢ়াই যে, দুখীয়া খেলুৱৈসকলৰ চিকিৎসা বা আন কোনো অসুবিধা হ'লে সেই সকল খেলুৱৈক কিছু আৰ্থিক সহাৰ্য্য প্ৰদান কৰাৰ সুবিধা হোৱাকৈ এটা পুঁজি আছুতীয়াকৈ ৰাখিলে ভাল হয় বুলি সদনত প্ৰস্তাৱ আগবঢ়ায়। উক্ত প্ৰস্তাৱৰ ওপৰত যুটীয়া সম্পাদক শ্ৰীউজ্জল বৰুৱাদেৱে সদনত জনাই যে, নগাঁও ক্ৰীড়া সংস্থাই সদায় দুখীয়া খেলুৱৈক সন্মুখীন হোৱা সমস্যাৰ ক্ষেত্ৰত অৰ্থ সাহাৰ্য্যৰ উপৰিও অন্যান্য সা-সুবিধাসমূহ প্ৰদান কৰি থকা হৈছে।

**২৫ নং প্ৰস্তাৱ ঃ** - সভাত আজি প্ৰস্তাৱ গ্ৰহণ কৰে যে, চতুৰ্থ ডিভিজন ক্লাবত খেলুৱৈ পঞ্জীয়নৰ ক্ষেত্ৰত অতি কমেও ৩ জন স্থানীয় অৰ্থাৎ নগাঁও মহকুমাৰ অন্তৰ্গত খেলুৱৈ থকটো বাধ্যতামূলক। অন্যথা ৩ জন স্থানীয় খেলুৱৈ পঞ্জীয়ন নথকা ক্লাবসমূহে এই নিয়ম ভঙ্গ কৰিব নোৱাৰিব আৰু লগতে লীগৰ পৰৱৰ্তী খেলসমূহত অংশগ্ৰহণ কৰাৰ পৰা বিৰত ৰখা হ'ব।

সদৌ শেষত সভাপতি মহোদয়ে সভাত উপস্থিত থকা সমূহ সদস্যই সভাখন পৰিচালনা কৰাৰ ক্ষেত্ৰত তেখেত সকলে গঠনমূলক পৰামৰ্শ দি সভাখন সুচাৰুৰূপে পৰিচালনা কৰাত সহায়-সহযোগিতা কৰাৰ বাবে উপস্থিত সকলো সদস্যকে ধন্যবাদ জ্ঞাপন কৰি আজিৰ ২০২৩-২০২৪ বৰ্ষৰ নগাঁও ক্ৰীড়া সংস্থাৰ বাৰ্ষিক সাধাৰণ সভাখনৰ সামৰনি পৰা বুলি ঘোষনা কৰে।

**ৰূপক শৰ্মা**
সভাপতি,
নগাঁও ক্ৰীড়া সংস্থা
নগাঁও, অসম